দৈনিক
অগ্ৰদূত

BUSINESS

Earn Extra Income Part/ Full Time work only, Guwahati- 97064-35529

পাত্ৰ-পাত্ৰী

বিবাহৰ বাবে যিকোনো ধৰণৰ পাত্ৰ-পাত্ৰীৰ বাবে যোগাযোগ কৰক- 8638101112

যৌনৰোগৰ চিকিৎসা

১০০% গেৰাণ্টিযুক্ত পাৰ্শ্ব-প্ৰতিক্ৰিয়াহীন 'VIGOUR VITALITY TONIC' সকলোধৰণৰ যৌনৰোগৰ যেনে- বীৰ্য দুৰ্বল, শীঘ্ৰেপতন, লিংগশিথিলতা, নপুংসকতা, ধ্বজ ভংগ ইত্যাদি ৰোগ নিৰ্মূল কৰি চিৰদিনলৈকে যৌৱন অটুট ৰখা। হেজাৰ হেজাৰ ৰোগী এই ঔষধৰ দ্বাৰা উপকৃত হৈছে। ঔষধ অৰ্ডাৰৰ বাবে যোগাযোগ কৰক ঃ NJB MARKETING 9864714345, 8876160129 (গোপনীয়তা ৰক্ষা কৰি Delivery কৰা হ'ব।)

আজিৰ দিনটো

কিৰো ইয়ং
ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

১৩ আহাৰ বুধবাৰ ২৮ জুন

সূৰ্যোদয় ঃ ঘঃ ৪।৩৭।৪২ **সূৰ্যাস্ত** ঃ ঘঃ ৬।১৫।০ **তিথি** ঃ শুক্লা পঞ্চমী দং ৪৫।৪৭।৪৩ ৰাঘ ১০।৫৬।৪৭ **নক্ষত্ৰ**- মঘা দং ৪৮।২৬।৬ ৰাঘ ১২।০।৮ **যোগ** ঃ ব্ৰজ দং ২৩।১৬।২৭ দিঘ ১।৫৬।১৭ করণ ঃ ব'ব। **জন্মত** ঃ সিংহৰাশি ক্ষত্ৰিয়বৰ্ণ বায়ুযোগ দেৱাৰিগণ বান্দৰৰ অস্থি অষ্টোত্তৰী মঙল আৰু বিংশোত্তৰী কেতুৰ দশা ৰাঘ ১২।০।৮ যোৱাত নৰগণ বিংশোত্তৰী শুক্ৰৰ দশা। **আদ্যঋতু হ'লে** ঃ সাতদিনীয়া কান্তাযোগ মতান্তৰে ১৫ দিনীয়া বেশ্যাযোগ। **মৰণত দোষ** ঃ নাই **যাত্ৰা** ঃ নাই নক্ষত্ৰদোষ ৰাঘ ১০।৫৬।৪৭ যোৱা তিথ্যমৃতযোগ মাত্ৰ ৰাঘ। ১২।০।৮ যোৱাত মাত্ৰা মধ্যম উত্তৰ-দক্ষিণে নাই। **শুভকৰ্ম** ঃ সাধভক্ষণ মুখ্যান্নপ্ৰাসন গ্ৰহপূজা শান্তিস্বস্ত্যয়ন হালযাত্ৰা, গুটিসিচা, গছৰোৱা, ধানৰোৱা, ধানকটা। **যোগিনী** ঃ দক্ষিণে ৰাঘ ১০।৫৬।৪৭ যোৱাত পশ্চিমে। **ভক্ষ্যাভক্ষ্য** ঃ বেল ৰাঘ ১০।৫৬।৪৭ যোৱাত নিমুতিতা খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ বিদ্যাৰ ক্ষেত্ৰত বিদেশ যাত্ৰাৰ সুযোগ আহিব পাৰে। সহকৰ্মীৰ পৰা সন্মান পাব পাৰে। শুভ ৰং বেঙুনীয়া। শুভ সংখ্যা ৫।

বৃষ ঃ ব্যয় বৃদ্ধি হোৱাৰ বাবে সংসাৰত সমস্যাৰ সৃষ্টি হ'ব পাৰে। পঢ়া-শুনাৰ বাবে কাৰোবাক সাহায্য কৰিব লগা হ'ব পাৰে। প্ৰতিকাৰ শিৰ লিংগত ৰাহু কাল তিল তেল প্ৰদান কৰক। শুভ ৰং বগা। শুভ সংখ্যা ৩।

মিথুন ঃ আজি কোনো কাৰণত মনত ভীষণ ভয় ভাব থাকিব। কুটিৰ শিল্পৰ লগত জড়িতসকলৰ অগ্ৰগতি। নিজৰ লগত অলপ বগা সৰিয়হ ৰাখিব। শুভ ৰং সেউজীয়া। শুভ সংখ্যা ২।

কৰ্কট ঃ খং বা জেদ বৃদ্ধি পোৱাৰ বাবে ৰক্তচাপ বৃদ্ধি পাব। চকুৰ বিচ্ছেদ। শুভ ৰং গুলপীয়া। শুভ সংখ্যা ৯।

সিংহ ঃ কোনো বিশেষ বন্ধৰ বাবে সংসাৰত অশান্তি হ'ব পাৰে। পেছাদাৰীৰ বাবে সময়টো বৰ ঠিক নহয়। শুভ ৰং বগা। শুভ সংখ্যা ৪।

কন্যা ঃ প্ৰচুৰ দায়িত্ব পালন কৰিবলৈ গৈ মানসিক চাপ বৃদ্ধি। বিশ্বাসী মানুহৰ পৰা ঠগ খাব পাৰে। প্ৰতিকাৰ পুৱাই গৃহলক্ষ্মীৰ পূজা কৰিব। শুভ ৰং আকাশ নীলা। শুভ সংখ্যা ২।

তুলা ঃ হস্তশিল্প দক্ষতা দেখুৱাৰ বাবে যোগ্যতা আহিব পাৰে। সন্তানৰ লগত মতবিৰোধ। প্ৰতিকাৰ ঘৰত এজোপা ডালিমৰ পুলি ৰোপণ কৰক। শুভ ৰং কজলা। শুভ সংখ্যা ৬।

বৃশ্চিক ঃ হাপানী ৰোগীসকল সাৱধান হোৱা উচিত। খৰধৰকৈ চিৰি পাৰ নহ'ব। আজি অফিচত কৰা কিবা ভাল কামে ভৱিষ্যতে আপোনাক সহায় কৰিব। প্ৰতিকাৰ ঃ ঘৰত দক্ষিণা পৰ্বত শংখ স্থাপন কৰক। শুভ ৰং নীলা। শুভ সংখ্যা ২।

ধনু ঃ নিজৰ চৌখিনতাৰ বাবে ব্যয় বৃদ্ধি। প্ৰতিবেশীৰ লগত কোনো কাৰণত মতবিৰোধ। প্ৰতিকাৰ ঃ এটা পাৰ চৰাইৰ পাখি লগত ৰাখক। শুভ ৰং ৰঙা। শুভ সংখ্যা ৯।

মকৰ ঃ কৰ্মক্ষেত্ৰত মিছা অপবাদ পাব পাৰে। নতুন গৃহ নিৰ্মাণৰ পৰিকল্পনা। প্ৰতিকাৰ বগা সূঁতাত সেন্দুৰ লগাই কঁকালত ধাৰণ কৰক। শুভ ৰং হালধীয়া। শুভ সংখ্যা ৭।

কুম্ভ ঃ আজি আপোনাৰ মানসিক অৱস্থা বিশেষ ভালে নাযাব। সম্ভৱ হ'লে ভ্ৰমণ কৰিব পাৰে। শুভ ৰং সেউজীয়া। শুভ সংখ্যা সংখ্যা ৩।

মীন ঃ কৰ্মক্ষেত্ৰত শুভ ফল লাভ কৰিব। আজি যাত্ৰা নকৰাই ভাল। আজি আপোনাৰ শুভ ৰং গুলপীয়া। শুভ সংখ্যা ১।

কাৰাগাৰ বিষয়াৰ প্ৰহাৰতহে বন্দীৰ মৃত্যু ঃ আদালতত ইন্দ্ৰাণীৰ প্ৰত্যাহ্বান

নিউজ ব্যুৰ'

মুম্বাই, ২৭ জুন ঃ চাঞ্চল্যকৰ শ্বীনা বৰা হত্যাৰ গোচৰত অভিযুক্ত হৈ সম্প্ৰতি কাৰাগাৰত থকা ইন্দ্ৰাণী বৰা মুখাৰ্জী শেহতীয়াকৈ এগৰাকী সতীৰ্থ বন্দী হত্যাৰ গোচৰত অভিযুক্ত হোৱা বিষয়টোৱে আজি নতুন মোৰ লয়। মুম্বাইৰ বাইকুলা মহিলা কাৰাগাৰত ন্যায়িক জিম্মাত থকা ইন্দ্ৰাণীৰ অধিবক্তাই আজি মুম্বাইৰ এখন আদালতত কয় যে যিগৰাকী সতীৰ্থক হত্যাত জড়িত বুলি ইন্দ্ৰাণীক অভিযুক্ত কৰা হৈছে সেই ঘটনা সন্দৰ্ভত ইন্দ্ৰাণীয়ে বহু কথাই জানে। অধিবক্তা গুঞ্জন মংগলাই কয় যে সংশ্লিষ্ট কাৰাবন্দীগৰাকীৰ মৃত্যু হৈছিল কাৰাগাৰখনৰ মহিলা বিষয়াৰ প্ৰহাৰতহে, কোনো বন্দীৰ আক্ৰমণত নহয়। তেওঁৰ এই বক্তব্য মিছা বুলি প্ৰমাণ কৰিবলৈ ইন্দ্ৰাণীয়ে অধিবক্তাৰ জৰিয়তে প্ৰত্যাহ্বান জনায়।

আদালতত ইন্দ্ৰাণীৰ বক্তব্যক দাঙি ধৰি অধিবক্তাজনে কয় যে মঞ্জুলা নামৰ মৃত্যু হোৱা বন্দীগৰাকীৰ গোপন অংগত লাঠি আৰু ষ্টিকেৰে প্ৰহাৰ কৰা হৈছিল। ইয়াৰ ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ মঞ্জুলাৰ মৃত্যু হয়। ইন্দ্ৰাণীকএই কথা প্ৰকাশ নকৰিবলৈ কাৰাগাৰ বিষয়াই ভাবুকি দিয়া বুলিও অধিবক্তাজনে অভিযোগ কৰে। এনে প্ৰতি অভিযোগৰ ভিত্তিতে কাইলৈ আদালতত ইন্দ্ৰাণীক হাজিৰ হোৱাৰো নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে হত্যাৰ বলি হোৱা মঞ্জুলাই ননদক হত্যাৰ গোচৰত বিগত ২০০৫ৰ পৰা য়েৰৱাড়া গাৰাগাৰত কাৰাবাস খাটি আছিল। কেইদিনমান পূৰ্বেহে তেওঁক বাইকুলা মহিলা কাৰাগাৰলৈ স্থানান্তৰ কৰা হৈছিল। যোৱা সপ্তাহত মঞ্জুলাৰ মৃতদেহ ৰহস্যজনকভাৱে উদ্ধাৰ হয়। মৰণোত্তৰ পৰীক্ষাত মঞ্জুলা হত্যাৰ বলি হোৱাটো প্ৰমাণিত হয়। মঞ্জুলাৰ মৃত্যুৰ বাবে কাৰাগাৰখনৰ কে'বাগৰাকীও বিষয়া-কৰ্মচাৰীক অভিযুক্ত কৰি নিলম্বন কৰা হৈছে। আনহাতে, মঞ্জুলাক হত্যা কৰা বুলি অভিযুক্ত কৰা হৈছে ইন্দ্ৰাণী মুখাৰ্জীকে ধৰি কাৰাগাৰখনত থকা কমেও দুশ বন্দীক।

LOST

I have lost my Admit Card bearing Roll No. 7650542. Registration Card No. 24/UV/0883/384856/12 and Marksheet Sl. No. 114338872, and Registration Certificate of HS 1st year No. 24/3648/224247-1415.

Md. Asif Ali
Rangapara, Sonitpur.

AFFIDAVIT

I Kasturi Gogoi Barooah W/o Nilotpal Barooah resident of Jayanagar, Khanapara, P.S.- Dispur, Dist.- Kamrup (M) by an affidavit before Notary Kamrup (M) dtd. 27-6-17 that in my some documents my name is recorded as Kasturi Gogoi and other as Kasturi Gogoi Barooah. Both are the same and one person having single identity.

কৃত্ৰিম বানত বুৰ গ'ল গৰৈমাৰী

স্বাস্থ্যসেৱা ব্যাহত ঃ ঘাইপথত একঁকাল পানী

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ২৭ জুন ঃ যোৱা নিশা হোৱা বৰষুণৰ ফলতে আজি পুৱাৰে পৰা একঁকাল পানীত বুৰ গৈছে তেজপুৰ গৰৈমাৰী আৰু হলেশ্বৰৰ বিস্তীৰ্ণ অঞ্চল। ১৫ নম্বৰ ঘাইপথৰ ওপৰেৰে সন্ধিয়া পৰ্যন্ত পানী বাগৰাৰ উপৰি হলেশ্বৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, এছ এছ বি প্ৰশিক্ষণ কেন্দ্ৰ, বায়ুসেনা বাহিনীৰ শালনিবাৰীস্থিত ঘাটি সংযোগী গুৰুত্বপূৰ্ণ পথছোৱা সম্পূৰ্ণৰূপে বুৰিছে কৃত্ৰিম বানত। এছ এছ বিৰ প্ৰশিক্ষণ কেন্দ্ৰৰ কাষৰ সাতঘৰ লোক এই বানত ক্ষতিগ্ৰস্ত হোৱাৰ উপৰি সম্প্ৰতি তেওঁলোক জলবন্দী হৈ থাকিবলগীয়া হৈছে। উল্লেখ্য যে এসপ্তাহ পূৰ্বে এনেদৰেই বানৰ কবলত পৰি জুলাকলা খাবলগীয়া হৈছিল গৰৈমাৰী তথা হলেশ্বৰৰ ৰাইজে। ইপিনে, আজি স্বাস্থ্যকেন্দ্ৰটো কৃত্ৰিম বানত বুৰ যোৱাৰ পৰিণতিত চিকিৎসা সেৱা ব্যাহত হৈ পৰে। উল্লেখ্য যে অঞ্চলটোৰ অতিৰিক্ত পানী নিষ্কাসন হোৱা মূল প্ৰাকৃতিক নলা বিমলজানত বেদখল আৰু একাংশ দুৰ্নীতিপৰায়ণ চৰকাৰী বিষয়াৰ বাবে ম্যাদীলৈ পৰিৱৰ্তন হোৱা তথা কাষৰ পথাৰৰ ভূমি নিশাৰ ভিতৰতে শ্ৰেণী পৰিৱৰ্তন কৰি বিক্ৰীৰ অনুমতি দিয়াৰ পৰিণতিত সম্প্ৰতি এজাক বৰষুণতেই গৰৈমাৰী আৰু হলেশ্বৰৰ একোটা অংশ কৃত্ৰিম বানত বুৰ যায়। কিন্তু এই ক্ষেত্ৰত শোণিতপুৰ প্ৰশাসনে ধৃতৰাষ্ট্ৰৰ ভূমিকা গ্ৰহণ কৰাৰ পৰিণতিত সম্প্ৰতি এই সমস্যা অধিক বৃদ্ধি পোৱাৰ সময়তে আজি স্থানীয় শতাধিক ব্যক্তিয়ে স্বাক্ষৰ কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ এক কিলোমিটাৰ অঞ্চলৰ ভয়াৱহ ৰূপ তথা ৪০ মিটাৰ অংশ পানীত বুৰ গৈ থকাৰ কথা উল্লেখ কৰি ৰাইজে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বাবে উপায়ুক্তক দাবীপত্ৰ এখন আজি প্ৰদান কৰিছে।

গোলাঘাটত গুট্‌খা ব্যৱসায়ী ধৃত

অগ্ৰদূত বাৰ্তা

গোলাঘাট, ২৭ জুন ঃ গোলাঘাট জিলাত নিষিদ্ধ গুট্‌খা, ধপাতজাতীয় সামগ্ৰীৰ অঘোষিত ক'লা সাম্ৰাজ্য গঢ়ি তোলা মাফিয়াৰ বিৰুদ্ধে গোলাঘাট আৰক্ষী কঠোৰ হৈছে। এনে দ্ৰব্যৰ বৃহৎ নেটৱৰ্ক স্থাপন কৰি যুৱ প্ৰজন্মক কোঙা কৰিব বিচৰা অবৈধ ব্যৱসায়ীকেইজনক অচিৰে গ্ৰেপ্তাৰ কৰা হ'ব বুলি গোলাঘাটৰ আৰক্ষী অধীক্ষক মানৱেন্দ্ৰ দেৱৰয়ে আজি কয়। উল্লেখ্য যে যোৱা ২০ জুনত চহৰৰ হিন্দী স্কুল পথ নন্দিনী ষ্টোৰত গোলাঘাটৰ কৰ বিভাগে অভিযান চলাই লাখ লাখ টকাৰ অবৈধ ধপাতজাতীয় সামগ্ৰীৰ লগতে পাণমচলা আৰু গুট্‌খাৰ পেকেট জব্দ কৰিছিল। বিভাগে এই সংক্ৰান্তত গোলাঘাট আৰক্ষীক অৱগত কৰাত আৰক্ষীয়ে ইতিমধ্যে অজিত ঘোষ নামৰ ক'লা বেপাৰীজনৰ বিৰুদ্ধে ৩৯৭/১৭ নম্বৰত এক গোচৰ ৰুজু কৰিছে। আনহাতে, গোলাঘাট জিলাত গুট্‌খা, ধপাতৰ ক'লা সাম্ৰাজ্য গঢ়ি তোলা ৰবি দাস নামৰ লোকজন শীঘ্ৰে আৰক্ষীৰ জালত পৰিব বুলি আৰক্ষী অধীক্ষকজনে মন্তব্য কৰিছে।

ইঞ্জিনিয়াৰিং নামভৰ্তি - ২০১৭
ডিপ্লমা(পলিটেকনিক) আৰু ডিগ্ৰী (বি. টেক) পৰ্য্যায়ৰ পাঠ্যক্ৰম
- চিভিল
- অটোমোবাইল
- আৰ্কিটেকচাৰেল
- ১০০% কৰ্মসংস্থাপনৰ সুবিধা
- ছোৱালী আৰু SC/ST/OBC ৰ বাবে ৩০% ৰেহাই

অৰ্হতাঃ HSLC/HS
Lateral Entry for ITI / Polytechnic Holders
যোগাযোগ : MATRIZ COLLEGE
Zoo Road Tiniali, Zoo-Narengi Road, 1st Bye Lane South, Guwahati-24
Ph: 0361-2414888, 9864091884, 8876120469
Website: www.matriz.in

শব্দ-বেহু ঃ ৭৫৯



থিয়কৈ ঃ
১। পাগুৰি (২)
৩। বেমাৰ (২)
৪। ৰাতি (৩)
৫। স্থানীয় তদন্ত; সীমা (৫)
৬। জলাশয়ৰ থিয় দাঁতি (২)
৭। উষ্ণতা (২)
১০। নিচা (২)
১২। শ্ৰেষ্ঠতকৈও শ্ৰেষ্ঠ (৫)
১৩। ঘাঁহেৰে পেট ভৰা অৱস্থা (২)
১৫। সৰু বিন্ধা (২)
১৬। হাতৰ তলুৱাৰে গালত কৰা আঘাত (২)
১৮। ফুলৰ ৰেণু (৩)
১৯। ভূমি (২)
২০। যাবলগীয়া (২)

পথালিয়ে ঃ
১। নৈ, পুখুৰী আদিৰ দাঁতি (২)
২। ডাঙৰ জলাশয়; হ্ৰদ (৪)
৮। লা (২)
৯। বেগাই ইফাল-সিফাল কৰা কাৰ্য (২+৩)
১১। পতাকা; ধ্বজ (৩)
১২। উত্তম; শ্ৰেষ্ঠ (৩)
১৪। নিশা চৰে যি (৫)
১৭। সজ; সাধু (২)
২১। অমিল (২+২)
২২। বাঞ্ছিত; ইপ্সিত (২)

শব্দ-বেহু ঃ ৭৫৮-ৰ উত্তৰ

থিয়কৈ ঃ ১। চতুৰ্বেদ ২। ৰস-পম ৩। কষ্টকৰ ৪। নাগেশ্বৰ ৭। ৰমণীয় ৯। কল্পান্তৰ ১০। আয়োজন ১১। ৰঙ্গালয় ১২। জমানত ১৩। তপচিল

পথালিয়ে ঃ ১। চৰাচৰ ৩। ককৰ্থনা ৫। সমাৰিষ্ট ৬। দৰ-দাম ৮। ৰত্নাকৰ ১০। আয়কৰ ১২। জহৰত ১৪। লম্বমান ১৫। নমনীয় ১৬। তহবিল

© অনু

হাতীৰ ভয়ত মৃত্যু এজনৰ

অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ২৭ জুন ঃ দক্ষিণ কামৰূপৰ পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বৰপ্ৰতিমাৰ এজন লোকে যোৱা নিশা এটা বনৰীয়া হাতীৰ জাক দেখি আতংকিত হৈ মৃত্যুক সাবটি ল'বলগীয়া হয়। দীনেশ দাস (৫৫) নামৰ লোকজনে নিশা কিবা কাৰণত ঘৰৰ বাহিৰলৈ ওলাই আহি সন্মুখতে কঁঠাল আৰু কঠীয়া খাই থকা হাতীৰ জাকটো দেখি চখ খায়। আতংকিত লোকজনক দেখি হাতীয়েও চোঁচা লৈছিল। ফলত তেওঁ ঘৰলৈ উভতি দৌৰ মাৰে যদিও ঘৰৰ চোতালতে হঠাৎ পিছলি পৰি হৃদক্ৰিয়া বন্দ হৈ মৃত্যুমুখত পৰে। যাত্ৰীবাহী বাছৰ চালক হিচাপে জীৱন নিৰ্বাহ কৰা দাসে মৃত্যুৰ সময়ত মাতৃ আৰু পত্নীৰ লগতে তিনিটা সন্তান এৰি থৈ গৈছে। ঘটনাৰ পাছত ৰাইজে বিভিন্ন প্ৰকাৰেৰে হাতীৰ জাকটো খেদি পঠিয়াবলৈ চেষ্টা চলাই আছে যদিও এই পৰ্যন্ত সফল হ'ব পৰা নাই।

নেতাজী-শাস্ত্ৰী-মুখাৰ্জীৰ মৃত্যুৰ ৰহস্য পোহৰলৈ অনাৰ দাবী

আই এন এৰ সম্পত্তিৰ তথ্যও গাপ দিছে ঃ লিগেল এইড ফ'ৰাম

ষ্টাফ ৰিপ'টাৰ

গুৱাহাটী, ২৭ জুন ঃ আন্তৰ্জাতিক ষড়যন্ত্ৰৰ ফলতে নেতাজী সুভাষ চন্দ্ৰ বসুৰ মৃত্যুৰ ৰহস্যৰ সকলো ফাইল এই পৰ্যন্ত খোল খোৱা নাই বুলি আজি গুৱাহাটীত মন্তব্য কৰে অল ইণ্ডিয়া লিগেল এইড ফ'ৰাম তথা অল ইণ্ডিয়া বাৰ এছ'চিয়েচনৰ সাধাৰণ সম্পাদক জয়দ্বীপ মুখাৰ্জীয়ে। সমান্তৰালভাৱে প্ৰয়াত প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰী আৰু প্ৰখ্যাত স্বাধীনতা সংগ্ৰামী ড° শ্যামা প্ৰসাদ মুখাৰ্জীৰ মৃত্যুৰ ৰহস্যও এই পৰ্যন্ত ভাৰত চৰকাৰে স্পষ্ট নকৰাৰ মুখাৰ্জীয়ে অভিযোগ কৰে। মৃত্যুৰ ৰহস্য স্পষ্ট কৰাৰ দাবীৰে লিগেল এইড ফ'ৰামে দেশৰ বিভিন্ন প্ৰান্তত আয়োজন কৰা সংবাদমেলৰ অংশ হিচাপে আজি গুৱাহাটীতো মুখাৰ্জীয়ে কয়, 'বিশেষভাৱে নেতাজীৰ মৃত্যুৰ ৰহস্যৰ লগতে আন কেতবোৰ দিশো এই পৰ্যন্ত গোপন কৰি ৰখা হৈছে। বসুৰ ইণ্ডিয়ান নেচনেল আৰ্মীৰ নামত থকা ৭২ কোটি টকা মূল্যৰ সম্পত্তিৰ কি হ'ল সেই তথ্য পাবলৈ নাই। আমি চৰকাৰক এই সন্দৰ্ভত এখন শ্বেতপত্ৰ প্ৰকাশ কৰাৰ দাবী জনাইছো। এক আন্তঃৰ্জাতিক ষড়যন্ত্ৰৰ বাবে নেতাজিৰ মৃত্যুৰ ৰহস্য এই পৰ্যন্ত পোহৰলৈ অহা নাই। অৱশ্যে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে গোপন কৰি ৰখা ফাইলবোৰৰ ৪২টা খোলাত কিছু তথ্য পোহৰলৈ আহে। এই কেইটাৰ দৰে বাকী ফাইলবোৰো অতিশীঘ্ৰে চৰকাৰে খুলিব লাগে যাতে প্ৰকৃত সত্য পোহৰলৈ আহে। ভাৰতৰ জনসাধাৰণৰ সেই সত্য জনাৰ অধিকাৰ আছে। ইয়াৰ সান্তৰালভাৱে নেতাজীক যথাযোগ্য সন্মানো চৰকাৰে দিব লাগে। তাকে নকৰি বিষয়টো চিৰদিন কেৱল ৰহস্যৰ আৱৰ্তত ৰখাক আমি তীব্ৰ গৰিহণা দিছো।' একেদৰে ড° মুখাৰ্জীৰ ৰহস্যজনক মৃত্যুৰ প্ৰকৃত সত্য উদ্‌ঘাটন কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত নায়াধীশৰ অধ্যক্ষতাত এখন আয়োগ গঠন কৰাৰ দাবী ফ'ৰামে উত্থাপন কৰে। একেধৰণৰ আয়োগ এখন লাল বাহাদুৰ শাস্ত্ৰীৰ মৃত্যুৰ ৰহস্য পোহৰলৈ অনাৰ বাবেও গঠন কৰাৰ দাবী মুখাৰ্জীয়ে জনায়। প্ৰসংগক্ৰমে তেওঁ কয়, 'ব্ৰিটিছ চৰকাৰে তেওঁলোকৰ ওচৰত থকা সকলো গোপন ফাইল ২০২১ৰ পাছত মুকলি কৰিব বুলি ঘোষণা কৰিছে। তেনে ঘোষণা ভাৰত চৰকাৰেও কৰিব লাগে। কেন্দ্ৰত কংগ্ৰেছৰ চৰকাৰ থকাৰ সময়ত নেতাজীৰ মৃত্যুৰ ৰহস্য পোহৰলৈ আনিব পৰা এটাও ফাইল খোলা নহ'ল। বিজেপিৰ নেতৃত্বত চৰকাৰ গঠনৰ পাছতহে ৪২টা ফাইল খোলা হ'ল। গতিকে বাকীবোৰ ফাইলো খোলাত অসুবিধা মুঠেই নাই। ফাইল বন্ধ কৰি ৰাখি ভাৰতৰ ৰাইজক অধিকাৰৰ পৰাহে বঞ্চিত কৰা হৈছে।'

আগমনীত সন্তানক বুকুত লৈ ৰেলৰ আগত জঁপিয়ালে মহিলাই

শিশু কন্যাৰ মৃত্যু ঃ মাতৃৰ অৱস্থা সংকটজনক

অগ্ৰদূত বাৰ্তা

আগমনী, ২৭ জুন ঃ আজি এটা নিদাৰুণ ঘটনাই জোকাৰি গ'ল সমগ্ৰ আগমনীকে। এগৰাকী মহিলাই কণমানি সন্তানক বুকুত সাবটি চলন্ত ৰেলৰ আগত জঁপিয়াই আত্মহত্যাৰ চেষ্টা চলোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। এই লোমহৰ্ষক ঘটনাটো সংঘটিত হয় আগমনী ৰেল ষ্টেছনত। এই ঘটনাত কন্যা শিশুটিৰ মৃত্যু হোৱাৰ উপৰি মাতৃগৰাকী গুৰুতৰভাৱে আহত হয়।

আমগনী ৰেল আৰক্ষীৰ তৰফৰ পৰা জনোৱা মতে, আজি দিনৰ প্ৰায় ১১-৩০ বজাত শিলিগুৰিৰ পৰা ধুবুৰী অভিমুখী চলন্ত ইণ্টাৰচিটি ৰেলখনৰ আগত জঁপিয়াই আত্মহত্যাৰ চেষ্টা চলাই ঝসকাল গাঁৱৰ নিলিমা বিবি নামৰ মহিলাগৰাকীয়ে। সেই সময়ত মহিলাগৰাকীৰ বুকুত আছিল ডেৰ বছৰীয়া কন্যা সন্তানটি। সকলোৰে চকুৰ সন্মুখতে নিলিমাই সন্তানক লৈ ৰেলৰ আগত জাঁপ মৰাৰ ফলত ৰেলত খুন্দা খাই মহিলাগৰাকী দূৰলৈ চিটিকি পৰে। কিন্তু ৰেলৰ চকাই দুৰ্ভগীয়া শিশুটিক দুখণ্ডিত কৰে। দুখণ্ডিত হোৱাৰ পাছতো শিশুটি জীয়াই আছিল আৰু শিশুটিৰ ছটফটাই থকা দৃশ্য প্ৰত্যক্ষ কৰি সেই স্থানত থকা লোকসকলৰ হৃদয় কম্পমান হোৱাৰ লগতে মৰ্মাহত হৈ পৰিছিল। ততাতৈয়াকৈ আগমনী আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে আহি শিশুটিৰ স'তে মাতৃ নিলিমাক আগমনী সমূহীয়া চিকিৎসালয়ত ভৰ্তি কৰায়। কিন্তু কিছু সময়ৰ পাছতে শিশুটিৰ মৃত্যু হয়। অৱশ্যে মাতৃ নিলিমা সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। স্থানীয় লোকে জনোৱা মতে, ঝসকাল প্ৰথম খণ্ডৰ নিবাসী নিলিমাৰ স'তে ৰতিয়াদহৰ ৰফিকুল ইছলাম নামৰ এজন যুৱকৰ স'তে দীৰ্ঘদিন ধৰি অবৈধ সম্পৰ্ক স্থাপন হৈছিল। সেই অবৈধ প্ৰেমৰ বাবেই আজি নিলিমাই ডেৰ বছৰীয়া কন্যা সন্তানৰ স'তে ৰফিকুলৰ ঘৰত উপস্থিত হয়। কিন্তু ৰফিকুলে মহিলাগৰাকীক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি ঘৰৰ পৰা খেদি পঠিয়ায়। এই অবৈধ প্ৰেমত প্ৰতাৰিত হৈয়ে নিলিমাই মানসিক আঘাত সহ্য কৰিব নোৱাৰি আত্মহত্যা কৰিবলৈ আগমনী ৰেল ষ্টেছনত উপস্থিত হৈছিল বুলি স্থানীয় ৰাইজ আৰু পৰিয়ালৰ লোকে ধাৰণা কৰিছে।

চৰ্বতৰে অনশন ভংগ বিধায়ক কুৰ্মীৰ

অগ্ৰদূত বাৰ্তা

মৰিয়নি, ২৭ জুন ঃ কেন্দ্ৰ-এন এচ চি এন (আই-এম)ৰ মাজত ২০১৫ত স্বাক্ষৰিত চুক্তিৰ তথ্য ৰাজহুৱা কৰাৰ দাবীত যোৱা ২৪ জুনৰ পৰা অনিৰ্দিষ্ট কাললৈ অনশনত বহা মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে আজি বিয়লি অনশন ভংগ কৰে। যোৰহাট জিলা কংগ্ৰেছৰ সভাপতি তথা প্ৰাক্তন সাংসদ দীপ গগৈয়ে এগিলাছ চৰ্বত পান কৰোৱাই বিধায়কজনৰ অনশন ভংগ কৰোৱায়। মৰিয়নিৰ থানা তিনিআলিত আৰম্ভ কৰা এই অনশনৰ অন্তত আজি গগৈৰ লগতে প্ৰশাসনৰ তৰফৰ পৰা মৰিয়নি ৰাজহ চক্ৰ বিষয়া মিৰ্জানা হুছেইনে বিধায়ক কুৰ্মীক এগিলাছ চৰ্বত পান কৰোৱায়।

কাৰ্বি আংলঙত আকস্মিক মৃত্যু চি আৰ পি জোৱানৰ

অগ্ৰদূত বাৰ্তা

কচুৱা, ২৭ জুন ঃ অতি আকস্মিকভাৱে কাৰ্বি আংলঙত কৰ্মৰত হৈ থকা কচুৱাৰ এজন অৰ্ধসামৰিক বাহিনীৰ জোৱানৰ মৃত্যু হোৱা ঘটনাই সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পেলাইছে। কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত লংকা গাঁৱৰ ভূৱন বৰাৰ পুত্ৰ তথা অৰ্ধসামৰিক বাহিনীৰ জোৱান গোপাল বৰা (৫৩)ৰ যোৱা ২৫ জুনৰ নিশা শুই থকা অৱস্থাতে মৃত্যু ঘটে। ১৯৮৯ তে অৰ্ধসামৰিক বাহিনীত যোগদান কৰা গোপালে শেহতীয়াকৈ কাৰ্বি আংলঙৰ কাৰাগাঁও ছাউনীত দায়িত্ব পালন কৰি আছিল।

বাহিনীৰ তৰফৰ পৰা জনোৱা মতে, ২৫ জুনৰ নিশা গোপালৰ ডিউটি নাছিল বাবে তেওঁ বেৰেকতে শুই আছিল। নিশা প্ৰায় তিনি বজাত তেওঁৰ লগৰ এজন জোৱানৰ স'তে কথাও পাতিছিল। প্ৰতিদিনে পুৱা ছবজাত জোৱানসকলৰ গন্তি হয় আৰু সেই সময়ত উপস্থিত থকাটো বাধ্যতামূলক। কিন্তু সেই গন্তিত তেওঁ কালি উপস্থিত নথকাত এজন জোৱানে বেৰেকলৈ গৈ তেওঁক জগাবলৈ চেষ্টা কৰে। কিন্তু গোপালৰ মাতবোল নোপোৱাত জোৱানজনে সংগীসকলক অৱগত কৰে আৰু ইতিমধ্যে গোপালৰ মৃত্যু হোৱা বুলি নিশ্চিত হোৱাত হাহাকাৰ লাগে। এই বাতৰি লাভ কৰি ছাউনীৰ বিভাগীয় কৰ্তৃপক্ষই পৰিয়ালক ঘটনাৰ বিষয়ে সবিশেষ জনায়। আনহাতে, গোপালৰ মৃতদেহ অৰ্ধসামৰিক বাহিনীৰ মৰ্যাদাৰে শেষ বিদায় দি বিভাগীয় গাড়ীৰে কালি নিশা প্ৰায় ১০-৩০ বজাত কচুৱাস্থিত বাসগৃহলৈ নিয়ে। জোৱানজনৰ মৃতদেহ বাসগৃহত উপস্থিত হোৱাৰ সময়ত পৰিয়ালৰ লগতে ওচৰৰ ৰাইজৰ মাজত কান্দোনৰ ৰোল উঠে। মৃত্যুৰ সময়ত জোৱানজনে পত্নীৰ লগতে এহাল পুত্ৰ-কন্যা এৰি থৈ গৈছে।

বৰপেটাৰোডত দিন দুপৰতে ঘটিল আজৱ কাণ্ড

সুৰক্ষা কৰ্মীক ৭০ টকাৰ লোভ দেখুৱাই বন্দুক নিলে চোৰে

অগ্ৰদূত বাৰ্তা

বৰপেটাৰোড, ২৭ জুন ঃ ৰাজ্যত সম্প্ৰতি বৃদ্ধি পোৱা অপৰাধমূলক কাৰ্যত জড়িত লোকৰ দৌৰাত্ম্যৰ পৰা স্বয়ং সুৰক্ষা কৰ্মীও সাৰি নগ'ল। তেনে এক আজৱ কাণ্ড আজি সংঘটিত হ'ল বৰপেটাৰোডৰ ষ্টেট বেংকৰ সন্মুখত। এজন সুৰক্ষা কৰ্মীৰ পৰাই অভিনৱ পদ্ধতিৰে চোৰে এটা বন্দুক চোৰ কৰি নিয়া ঘটনাই চহৰখনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনকি চোৰে মাত্ৰ ৭০ টকাৰ লোভ দেখুৱাই সুৰক্ষা কৰ্মীজনৰ পৰা বন্দুক চোৰ কৰাৰ কাৰ্যও বহুলভাৱে চৰ্চা হৈছে।

আৰক্ষী সূত্ৰই জনোৱা মতে, ষ্টেট বেংকৰ পৰা এ টি এমত টকা ভৰাবলৈ চাৰিজন কৰ্মীয়ে যো-জা চলাই থকাৰ সময়তে কেছ পিকআপ ভান এখনত থকা অঞ্জন বৰ্মন নামৰ সুৰক্ষা কৰ্মীজনৰ হাতৰ বন্দুকটো চোৰে কৌশলেৰে লুট কৰি নিয়ে। আজি পুৱা ১০-৩০ বজাত বৰপেটাৰোড ষ্টেট বেংকৰ সন্মুখতে ৰাইটাৰ ছেফ গাৰ্ড প্ৰাইভেট লিমিটেড নামৰ কোম্পানীটোৰ এ এছ-০১ এফ চি-৯৪৩৩ নম্বৰৰ কেছ পিকআপ ভানখনৰ পৰাই উক্ত বন্দুকটো চোৰ হয়। সেই সময়ত কোম্পানীটোত চিলিফ'ৰ্ড নামৰ সুৰক্ষা সংস্থাৰ দ্বাৰা বাছনিকৃত সুৰক্ষা কৰ্মী অঞ্জনৰ লগতে ভানখনত চালক আৰু কোম্পানীৰ দ্বাৰা নিয়োজিত দুজন কাষ্টডিয়ান উপস্থিত আছিল। কাষ্টডিয়ান দুজনে ষ্টেট বেংকৰ পৰা প্ৰায় দুই লাখ টকা আনি এ টি এমত ভৰাবলৈ চেষ্টা কৰি থকাৰ সময়তে উক্ত ঘটনা ঘটে বুলি আৰক্ষীয়ে জনাইছে। অঞ্জন নামৰ সুৰক্ষা কৰ্মীজনে আৰক্ষীক দিয়া ভাষ্য অনুসৰি তেওঁ কটাখিনি গাড়ীত উঠোৱাৰ সময়তে বন্দুকটো এখন মোনাত ভৰাই গাড়ীতে থৈছিল আৰু কাষ্টডিয়ান দুজনক সহায় কৰিবলৈ গাড়ীখনৰ পিছফালে থিয় দিছিল। অঞ্জনে আৰক্ষীৰ সন্মুখত স্বীকাৰ কৰে যে সেই সময়ত গাড়ীৰ কাষতে মুঠ ৭০ টকাৰ কেইখনমান ১০-২০ টকীয়া নোট পৰি থকা দেখি তেওঁ সেই নোটকেইখন বুটলিবলৈ সামান্য সময়ৰ বাবে আঁতৰি গৈছিল। সেইখিনি সময়তে চোৰে বন্দুকটো লুট কৰি নিয়া বুলিও সুৰক্ষা কৰ্মীজনে স্বীকাৰ কৰিছে। অভিনৱ পদ্ধতিৰে চোৰে বন্দুকটো লুট কৰি নিয়াৰ পাছতো চাৰিওজন লোকে আৰক্ষীক খবৰ দিয়াৰ পৰিৱৰ্তে প্ৰথমে এ টি এমত ধনখিনি জমা ৰখাৰ পাছতহে আৰক্ষীক বিষয়টো অৱগত কৰে। সেয়ে আৰক্ষীয়ে চাৰিওজনকে থানালৈ নি বাতৰি লিখাৰ পৰলৈকে সোধ-পোছ কৰি আছে।

ইপিনে, যিজন সুৰক্ষা কৰ্মীৰ বন্দুকটো লুট হৈছে, তেওঁৰ বন্দুকৰ অনুজ্ঞাপত্ৰ আছে যদিও বন্দুক ক্ৰয়ৰ কোনো নথি নথকাৰ বাবে বৰ্তমানলৈকে আৰক্ষীয়ে তদন্তৰ ক্ষেত্ৰত আগবাঢ়িব পৰা নাই। আনকি অনুজ্ঞাপত্ৰখনৰ বৈধতাৰ ক্ষেত্ৰতো আৰক্ষীৰ মনত সন্দেহে বাহ লৈছে। বিশেষকৈ সুৰক্ষা কৰ্মী হিচাপে তিনিমাহ পূৰ্বেহে নিয়োজিত হোৱা অঞ্জনে ১.৩০ লাখ টকা আদায় দি এজন লোকৰ সহায়ত নগালেণ্ডৰ উত্তম গান ৱৰ্কছৰ পৰা বন্দুকটো অনা বুলি আৰক্ষীক জনাইছে। লগতে মাত্ৰ এদিন প্ৰশিক্ষণ লৈয়ে সুৰক্ষা কৰ্মীৰূপে নিয়োজিত হোৱা বুলি বৰপেটাৰোডৰ শক্তিনগৰ নিবাসী দীনেশ চন্দ্ৰ বৰ্মনৰ পুত্ৰ অঞ্জনে দিয়া ভাষ্যই আৰক্ষীৰ চকু কপালত তুলিছে।

অসম গ্ৰাম্য পুথিভঁৰাল কৰ্মচাৰী সন্থা গঠন

গুৱাহাটী, ২৭ জুন ঃ আজি গুৱাহাটী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অসম গ্ৰাম্য পুথিভঁৰাল কৰ্মচাৰী সন্থাৰ বাৰ্ষিক সাধাৰণ সভা সন্থাৰ উপ-সভাপতি দিনেশ দাসৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত নৱ কুমাৰ ডেকাক সভাপতি আৰু জ্যোতিৰ্ময় বৈশ্যক সাধাৰণ সম্পাদক ৰূপে লৈ ২১জনীয়া এখন সমিতি গঠন কৰা হয়। অসমৰ বিভিন্ন প্ৰান্তৰ চৰকাৰী গ্ৰাম্য পুথিভঁৰাল কৰ্মচাৰীৰ সহায় সহযোগিতা বিচাৰি নৱগঠিত সমিতিয়ে আহ্বান জনাইছে বুলি নৱনিৰ্বাচিত সম্পাদক জ্যোতিৰ্ময় বৈশ্যই জনাইছে।

অসম লোকসেৱা আয়োগ
Assam Public Service Commission
NOTIFICATION

It is for general information to all concerned that in connection with recruitment to the various posts in State Engineering Colleges and Polytechnics under Higher Education (Technical) Department (Vide Advt. No. 5/2017 dated 25-05-2017) the commission has decided to extend the last date for receiving of application forms upto 7th July 2017.

Sd/- Deputy Secretary,
Assam Public Service Commission
Jawaharnagar, Khanapara, Guwahati-22

Janasanyog/4319/17

GNRC Quality • Value • Trust স্বাস্থ্য-বাৰ্তা

উচ্চমান বিশিষ্ট অস্ত্ৰোপচাৰ এতিয়া জিএনআৰচিত ব্যয়সাধ্য

উচ্চমান বিশিষ্ট অস্ত্ৰোপচাৰ এতিয়া জিএনআৰচিত ব্যয়সাধ্য। দিছপুৰ আৰু ছয়মাইল গোটত মাথোঁ

১ লাখ টকাত হাৰ্টৰ অস্ত্ৰোপচাৰ, ৯৫ হাজাৰ টকাত টোটেল নী ৰিপ্লেছমেণ্ট, ২৭ হাজাৰ টকাত এপেণ্ডিক্স, ৩২ হাজাৰ টকাত গলব্লাডাৰ আৰু ৩৩ হাজাৰ টকাত হাৰ্নিয়াৰ অস্ত্ৰোপচাৰৰ সুবিধা আগবঢ়োৱা হৈছে।

যোগাযোগৰ নম্বৰ
98640-20550,
94353-23213 * চৰ্তাৱলী প্ৰযোজ্য।

info@gnrchospitals.com www.gnrchospitals.com